**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 24-05 -2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

# HEADLINES

১।	লোকসভা নিৰ্বাচনৰ  ষষ্ঠ পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে।

২।	লোকসভা নিৰ্বাচনৰ ষষ্ঠ পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ সামৰণি পৰাৰ পাছত ৰাজনৈতিক দলসমূহে সপ্তম পৰ্যায়ৰ প্ৰচাৰত মনোনিৱেশ  কৰা পৰিলক্ষিত হৈছে।

৩।	চৰকাৰে প্ৰায় ৬ লাখ ৮০ হাজাৰ মোবাইল নম্বৰ ভুৱা আৰু অবৈধ বুলি চিনাক্ত কৰিছে।

৪।	ভাৰতীয় দূতাবাসে কম্বোদিয়াত ভুৱা নিয়োগকৰ্তাৰ কবলৰ পৰা উদ্ধাৰ কৰা ৬০ গৰাকী ভাৰতীয় নাগৰিকৰ প্ৰথমটো দল কালি ভাৰতলৈ ঘূৰি আহিছে।

**আৰু**

৫।	ভাৰতৰ বেডমিণ্টন তাৰকা পি ভি সিন্ধু আৰু অস্মিতা চলিহাই মালয়েছিয়া মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

**::::::::::::::::::**

লোকসভা নিৰ্বাচনৰ  ষষ্ঠ পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে। এই পৰ্যায়ত কাইলৈ পুৱা ৭ বজাৰ পৰা সন্ধিয়া ৬ বজালৈ ৮ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ মুঠ ৫৮ টা সংসদীয় সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। এই সমষ্টিসমূহৰ ভিতৰত বিহাৰৰ ৮টা, হাৰিয়ানাৰ ১০ টা, জম্মু-কাশ্মীৰৰ এটা, ঝাৰখণ্ডৰ ৪টা, দিল্লীৰ ৭টা, ওড়িশাৰ ছটা, উত্তৰ প্ৰদেশৰ ১৪টা আৰু পশ্চিমবংগৰ ৮টা সমষ্টি আছে।

এই সমষ্টি কেইটাৰ বাবে মুঠ ৮৮৯ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

ooooo

লোকসভা নিৰ্বাচনৰ ষষ্ঠ পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ সামৰণি পৰাৰ পাছত ৰাজনৈতিক দলসমূহে সপ্তম তথা অন্তিম পৰ্যায়ৰ প্ৰচাৰত মনোনিৱেশ  কৰা পৰিলক্ষিত হৈছে। বিভিন্ন দলৰ নেতাসকলে ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে আপ্ৰাণ চেষ্টা চলাইছে।

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই আজি উত্তৰ প্ৰদেশৰ কুশিনগৰ, বালিয়া আৰু সোণভদ্ৰা জিলাত প্ৰচাৰ চলাব। আনহাতে মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা যোগী আদিত্য নাথে মহাৰাজগঞ্জ, কুশিনগৰ দেঅ'ৰীয়া আৰু গোৰখপুৰত দলৰ হকে প্ৰচাৰত ভাগ ল'ব।

ইপিনে কংগ্ৰেছৰ মুখপাত্ৰ অভয় দুবেই আজি বাৰানসীত দলীয় প্ৰাৰ্থী অজয় ৰায়ৰ হৈ এখন সংবাদ মেল সম্বোধন কৰিব।

বিহাৰতো সপ্তম পৰ্যায়ৰ বাবে প্ৰচাৰ তুংগত উঠিছে। ৰাজ্যখনত এন ডি এ আৰু মহামিত্ৰজোঁটৰ লগতে অন্যান্য দলসমূহে ভোটদাতাসকলৰ মন জয়কৰাৰ বাবে চেষ্টাৰ অকনো ত্ৰুটি কৰা নাই। বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে আজি আৰা সংসদীয় সমষ্টিৰ বীৰ কুঁৱৰ সিং ষ্টেডিয়ামত এখন নিৰ্বাচনী সভাত

অংশগ্ৰহণ কৰিব। আনহাতে জে ডি ইউ নেতা তথা মুখ্যমন্ত্ৰী নীতিশ কুমাৰে  কাৰাকাত সমষ্টিৰ ন'খাত দলৰ হকে প্ৰচাৰ চলাব। একেদৰে কেন্দ্ৰীয় মন্ত্ৰী গিৰীৰাজ সিং আৰু বিজেপিৰ ৰাজ্যিক সভাপতি সম্ৰাট চৌধৰীয়ে জেহেনাবাদ সংসদীয় সমষ্টিত প্ৰচাৰত ভাগ ল'ব।

ইফালে, মহামিত্ৰজোঁটৰ অন্তৰ্ভুক্ত আৰ জে ডি, কংগ্ৰেছ আৰু বাও দলৰ নেতাসকলে দলীয় প্ৰাৰ্থীৰ হকে ৰাজ্যৰ বিভিন্ন ঠাইত আজি নিৰ্বাচনী সমাৰেশত অংশ ল'ব। আৰ জে দি নেতা তেজস্বী প্ৰসাদ যাদব আৰু বিকাশ শীল ইনচান পাৰ্টিৰ মুৰববী মুকেশ সাহানীয়ে কালি কেইবাটাও সমষ্টিত একেলগে নিৰ্বাচনী সভাত ভাগ লয়।

বহুজন সমাজপাৰ্টিৰ মুৰববী মায়াবতীয়েও বক্সাৰত দলীয় প্ৰাৰ্থীৰ হকে এখন নিৰ্বাচনী সভাত ভাষণ দিয়ে। তেওঁ ভাষণত বিজেপি পুনৰ ক্ষমতালৈ নাহে বুলি দাবী কৰে। তেওঁ কয় যে, জনসাধাৰণে এইবাৰৰ নিৰ্বাচনত বিজেপি আৰু ইয়াৰ মিত্ৰদলসমূহক এশিকনি দিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে পূৰ্বে দেশৰ নেতাসকলে বিদেশী ৰাষ্ট্ৰৰ সৈতে সমান দূৰত্ব বজাই ৰখাব বিশ্বাস কৰিছিল, কিন্তু তেওঁ বিশ্বৰ দেশসমূহৰ সৈতে ওচৰ সম্পৰ্ক বৰ্তাই ৰখাত গুৰুত্ব আৰোপ কৰে। নতুন দিল্লীত কালি এটা চেনেলে আয়োজন কৰা চালাম ইণ্ডিয়া শীৰ্ষক এটা কাৰ্যসূচীত ভাষণ দি শ্ৰী মোদীয়ে কয় যে, দেশৰ বাবে এটা দুৰ্ভাগ্যৰ বিষয় যে নিজ দেশৰ প্ৰধানমন্ত্ৰীয়ে বিদেশী ৰাষ্ট্ৰ ভ্ৰমণলৈ গৈছে নে নাই, সেই বিষয়ে পূৰ্বেই কোনো লোকেই অবগত নাছিল। বিৰোধীক আক্ৰমণ কৰি তেওঁ লগতে এই বুলিও অভিযোগ উত্থাপন কৰে যে তেওঁলোকে ভাৰতৰ গণতন্ত্ৰক বদনাম কৰাৰ পৰিকল্পনা কৰি আছে।

০০০০০

চৰকাৰে প্ৰায় ৬ লাখ ৮০ হাজাৰ মোবাইল নম্বৰ ভুৱা আৰু অবৈধ বুলি চিনাক্ত কৰিছে। এই নম্বৰসমূহ অবৈধ, অস্তিত্বহীন, ভুৱা পৰিচয়পত্ৰ আৰু নকল কে ৱাই চি নথি ব্যৱহাৰ কৰি লাভ কৰা বুলি সন্দেহ কৰা হৈছে। দূৰ সংযোগ বিভাগে চিনাক্ত কৰা এই নম্বৰসমূহৰ ততালিকে পুনৰ সত্যায়ন সম্পন্ন কৰিবলৈ দূৰ সংযোগ সেৱা প্ৰদানকাৰী প্ৰতিষ্ঠানসমূহক নিৰ্দেশ দিছে। ৬০ দিনৰ ভিতৰত পুনৰ সত্যায়ন সম্পূৰ্ণ নকৰিলে এই নম্বৰসমূহ বাতিল কৰা হ'ব। আমাৰ সংবাদদাতাই জনাইছে যে, দূৰ সংযোগ বিভাগে বিভিন্ন ক্ষেত্ৰৰ সহযোগত আৰু কৃত্ৰিম বুদ্ধিমত্তা প্ৰযুক্তি ব্যৱহাৰ কৰি এই ভুৱা নম্বৰসমূহ চিনাক্ত কৰিছে। এই পদক্ষেপে প্ৰবঞ্চনা ৰোধৰ ক্ষেত্ৰত সংহত ডিজিটিয় মঞ্চসমূহৰ কাৰ্যকৰিতা প্ৰমাণ কৰিছে।

০০০০০

ভাৰতীয় দূতাবাসে কম্বোদিয়াত ভুৱা নিয়োগকৰ্তাৰ কবলৰ পৰা উদ্ধাৰ কৰা ৬০ গৰাকী ভাৰতীয় নাগৰিকৰ প্ৰথমটো দল কালি ভাৰতলৈ ঘূৰি আহে। নোম পেন্হত থকা ভাৰতীয় দূতাবাসে সামাজিক মাধ্যমযোগে ভাৰতীয় নাগৰিক কেইগৰাকীক উদ্ধাৰ কৰাৰ ক্ষেত্ৰত আগবঢ়োৱা সহায়ৰ বাবে কম্বোদিয়াৰ বিভিন্ন কৰ্তৃপক্ষক ধন্যবাদ জনাইছে। কম্বোদিয়াৰ কৰ্তৃপক্ষসমূহে ভুৱা কৰ্মসংস্থাপনৰ বলি হোৱা ৬০ গৰাকী ভাৰতীয়ক স্বদেশলৈ ঘূৰি অহাত সহায় আগবঢ়াইছে আৰু আইনী নথি পূৰণত সহায় আগবঢ়াইছে।

০০০০০

উত্তৰ-পূব সীমান্ত ৰে'লৱেই ক্ৰীড়া কোটাৰ অধীনত পুৰুষ আৰু মহিলাৰ ২৪টা পদৰ বাবে নিযুক্তিৰ অধিসূচনা প্ৰকাশ কৰিছে। ভাৰতীয় নাগৰিক আৰু যোগ্যতাৰ সকলো মাপকাঠি পূৰ্ণ কৰা ক্ৰীড়া ক্ষেত্ৰৰ সৈতে জড়িত ব্যক্তিসকলে এই আবেদন দাখিল কৰিব পাৰিব। এই নিযুক্তি লেবেল একৰ পৰা পঞ্চমলৈকে

বিভিন্ন পদৰ বাবে হ'ব। পদসমূহৰ বাবে আবেদনৰ অন্তিম দিন ৯ জুন ধাৰ্য্য কৰা হৈছে। আগ্ৰহী প্ৰাৰ্থীয়ে www.nfr.indianrailways.gov.in ৱেবচাইট যোগে আবেদন কৰিব পাৰিব। ভাৰোত্তোলন, গল্ফ, বক্সিং, চাইক্লিং, ক্ৰিকেট, বেডমিণ্টন, ফুটবল, টেবল টেনিচ আদি ক্ৰীড়া ক্ষেত্ৰৰ খেলুৱৈসকলে এই পদসমূহৰ বাবে অনলাইন প্ৰক্ৰিয়া সম্পূৰ্ণ কৰি আবেদন কৰিব পাৰিব। নিযুক্তিৰ বাবে লেভেল চাৰি আৰু পাঁচ পদত আবেদন কৰা প্ৰাৰ্থীসকলৰ পহিলা জুলাই ২০২৪ আৰু লেভেল ১ৰ পৰা ৩ নম্বৰ পদৰ বাবে আবেদনকাৰী প্ৰাৰ্থীসকলৰ নিৰ্ধাৰিত বয়সৰ সীমা চলিত বছৰৰ পহিলা জানুৱাৰীলৈ ১৮ৰ পৰা ২৫ বছৰৰ ভিতৰত ধাৰ্য্য কৰা হৈছে। অহা ২০ আৰু ২৮ জুনত প্ৰাথমিক বাছনি অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে আৰু প্ৰাৰ্থীসকলে সংশ্লিষ্ট ভাষাৰ বাবে নিজক সাজু কৰিব লাগিব। উত্তৰ-পূব সীমান্ত ৰে'লৱেই আন্তৰ্জাতিক মানৰ খেলুৱৈ চিনাক্ত কৰি তেওঁলোকৰ ক্ৰীড়া প্ৰতিভা বিকশাই তোলাৰ বাবে এই সুযোগ প্ৰদান কৰিব।

০০০০০

গুৱাহাটীৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আজি ৰাজ্যখনৰ বিভিন্ন ঠাইত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ আৰু বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে বুলি প্ৰকাশ কৰিছে। আনহাতে ২৬ মে' দেওবাৰে ৰাজ্যখনৰ দুই এঠাইত ঘণ্টাত ৩০ৰ পৰা ৪০ কিলোমিটাৰ বেগেৰে ধুমুহা আৰু ধাৰাষাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আনহাতে সোমবাৰেও ধাৰাষাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰিছে।

০০০০০

ভাৰতৰ বেডমিণ্টন তাৰকা পি ভি সিন্ধু আৰু অস্মিতা চলিহাই মালয়েছিয়াৰ কোৱালালমপুৰত অনুষ্ঠিত মালয়েছিয়া মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছত কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। অস্মিতাই কালি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত আমেৰিকাৰ বেইৱেন ঝাঙক ২১-১৯, ১৬-২১, ২১-১২ গেমত পৰাস্ত কৰে। আনহাতে সিন্ধুৱে দক্ষিণ কোৰিয়াৰ য়ু জিন ছিমক ২১-১৩, ১২-২১, ২১-১৪ গেমত পৰাভূত কৰে।

অৱশ্যে ভাৰতৰ আন এগৰাকী খেলুৱৈ কিৰন জৰ্জ মালয়েছিয়াৰ জি জিয়ালিৰ হাতত ১৩-২১, ১৮-২১ গেমত পৰাজিত হৈ পুৰুষৰ ছিংগলছৰ প্ৰী-কোৱাৰ্টাৰ ফাইনেলৰ পৰা বাহিৰ হয়। একেদৰে ছাই প্ৰতীক আৰু কৃষ্ণ প্ৰসাদ গৰ্গৰ যুটীটো পুৰুষৰ ডাবলছৰ প্ৰী-কোৱাৰ্টাৰ ফাইনেলত চীনৰ প্ৰতিদ্বন্দ্বিৰ হাতত ১১-২১, ৯-২১ গেমত পৰাজিত হয়। ত্ৰিষা জলী আৰু গায়ত্ৰী গোপাচাণ্ডৰ ভাৰতীয় যুটীটোও মহিলাৰ ডাবলছৰ প্ৰী-কোৱাৰ্টাৰ ফাইনেলত টাইৱানৰ প্ৰতিদ্বন্দ্বিৰ হাতত পৰাভূত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হ'বলগীয়া হৈছে।

০০০০০

ৰাজস্থান ৰয়েলছ আজি চেন্নাইৰ এম এ চিডাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয়খন কোৱালিফায়াৰত ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। এই খেলখনত জয়লাভ কৰা দলটোৱে দেওবাৰে ফাইনেলত কলকাতা নাইট ৰাইডাৰ্ছৰ সন্মুখীন হ'ব।

উল্লেখযোগ্য যে কলকাতা নাইট ৰাইডাৰ্ছে প্ৰথমখন কোৱালিফায়াৰত ছানৰাইজাৰ্ছ হায়দৰাবাদক পৰাস্ত কৰি ইতিমধ্যে প্ৰতিযোগিতাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে।

০০০০০

FIH প্ৰ'-লীগ ২০২৩-২৪ ইউৰোপীয়ান লেগৰ এখন খেলৰ কালি ভাৰতৰ পুৰুষ হকী দলটো অলিম্পিক চেম্পিয়ন বেলজিয়ামৰ হাতত ১-৪ গ'লৰ ব্যৱধানত পৰাস্ত হয়। হৰমন প্ৰীত সিঙ নেতৃত্বাধীন ভাৰতীয় দলটোৱে ইয়াৰ পূৰ্বে পৰহিৰ এখন খেলত আৰ্জেণ্টিনাক পৰাস্ত কৰিছিল।

প্ৰতিযোগীতাৰ পইণ্ট তালিকাত ভাৰতে ১০ খন খেলৰ পৰা ১৭ পইণ্ট লাভ কৰি তৃতীয় স্থানত থকাৰ বিপৰীতে বেলজিয়ামে ৬খন খেলৰ পৰা ৬ পইণ্টেৰে সপ্তম স্থানত আছে।

ইপিনে, ভাৰতৰ মহিলা হকী দলটোৱে কালি বেলজিয়ামৰ হাতত ২-০ গ'লত পৰাজিত হয়। খেলখনত ভাৰতে সুন্দৰ আৰম্ভণিৰে কেইবাটাও পেনাল্টি কৰ্ণাৰ লাভ কৰে যদিও দ্বিতীয়াৰ্ধৰ আৰম্ভণিতে বেলজিয়ামে দুটা গ'ল দি বিজয় নিশ্চিত কৰে। ভাৰতে কাইলৈ হ'বলগীয়া আন এখন খেলত পুনৰ বেলজিয়ামৰ মুখামুখি হ'ব।

ooooo

সমাপ্ত